**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। মনু ভাকেৰ আৰু সৰৱজিৎ সিঙে আজি পেৰিছ্ অলিম্পিকৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে।

২। কেৰালাৰ ৱায়নাডত আজি নিচেই পুৱা হোৱা ভূমিস্খলনৰ ঘটনাত কমেও ৩৬ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ৬৬ জন লোক আহত হৈছে।

৩। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি বিয়লি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিব।

৪। লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি অসমৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে।

আৰু

৫। ভাৰত আজি পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ’বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

ভাৰতৰ মনু ভাকেৰ আৰু সৰবজিত সিঙে আজি ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মনু আৰু সৰবজিতে দক্ষিণ কোৰিয়াৰ অ'হ য়ে জিন আৰু লি ৱনহ'ক ১৬-১০ ব্যৱধানত পৰাস্ত কৰি এই কৃতিত্ব লাভ কৰে। ইয়াৰ লগে লগে মনু ভাকেৰ একেখন অলিম্পিকত দুটাকৈ পদক লাভ কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়।

ইপিনে, ৰয়িঙৰ পুৰুষৰ ছিংগলছৰ স্কালছ শিতানত ভাৰতৰ বলৰাজ পানৱাৰে দিনৰ ২ বাজি ১০ মিনিটত চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

কেৰালাৰ ৱায়নাড জিলাৰ মুণ্ডক্কই, আট্টমালা আৰু চূড়ামলা এলেকাত ধাৰাসাৰ বৰষুণৰ ফলত বিস্তৰ ক্ষতি হৈছে। জিলাখনত আজি নিচেই পুৱা হোৱা ভূমিস্খলনৰ ঘটনাত কমেও ৩৬ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ৬৬ জন লোক আহত হৈছে। আহতসকলক বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ক্ষতিগ্ৰস্ত এলেকাসমূহত ভালেসংখ্যক লোক আবদ্ধ হৈ আছে। ভূমিস্খলন হোৱা এলেকাসমূহৰ চৌপাশে বোকা, শিল, উভালি পৰা গছ আদি সিঁচৰতি হৈ থকা পৰিলক্ষিত হৈছে। বৰষুণৰ ফলত সৃষ্টি হোৱা বানৰ বাবে অঞ্চলটোৰ কেইবাটাও বাসগৃহ আৰু যান-বাহনৰ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে সশস্ত্ৰ বাহিনীৰ সহায় বিচাৰিছে।

ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৱায়নাডৰ ভূমিস্খলনৰ ঘটনা সন্দৰ্ভত স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ সৈতে কথা পাতে। স্থল সেনা বাহিনীৰ কেইবাটাও দল উদ্ধাৰ আৰু সাহায্য অভিযানত নিয়োগ কৰা হৈছে।

কোঝিকোড়ে আৰু কুন্নুৰত কৰ্তব্যৰত সেনা-জোৱানসকলক চিকিৎসা আহিলাপাতিৰ সৈতে ক্ষতিগ্ৰস্ত এলেকাসমূহলৈ প্ৰেৰণ কৰা হৈছে। বাংগালুৰু আৰু তামিলনাডুৰ অৰাকোনমৰ পৰা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ আৰু কেইটামান দল আজি বিয়লি ৱায়নাডত উপস্থিত হোৱাৰ সম্ভাৱনা আছে।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৱায়নাডৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত ভূমিস্খলনৰ ঘটনাত আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও আহতসকল শীঘ্ৰেই সুস্থ হৈ উঠাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৱায়নাডৰ বিভিন্ন ঠাইত ভূমিস্খলনত নিহত প্ৰতিগৰাকী লোকৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ি বিজয়নৰ সৈতে ভূমিস্খলনৰ ঘটনা সন্দৰ্ভত কথা পাতিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা সকলোধৰণৰ সাহায্য আগবঢ়োৱাৰ আশ্বাস দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে উদ্ধাৰ অভিযান চলি আছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৱায়নাডৰ ভূমিস্খলনৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী গৰাকীয়ে শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰিছে।

000000000

বিৰোধী নেতা ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়নাডত সংঘটিত হোৱা ভূমিস্খলনৰ ঘটনাত উদ্ধাৰৰ বাবে সকলোধৰণৰ সমৰ্থন আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছে। লোকসভাত এই বিষয়টো উত্থাপন কৰি শ্ৰী গান্ধীয়ে পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা সুচল কৰাৰ লগতে সাহায্য শিবিৰ স্থাপন কৰিবলৈ আহ্বান জনায়। ৰাহুল গান্ধীয়ে কৈছে যে মুণ্ডক্কই গাঁওখন বিচ্ছিন্ন হৈ পৰিছে আৰু ইয়াৰ ভয়াবহ ক্ষতিৰ মূল্যায়ন এতিয়াও হোৱা নাই। তেওঁ কয় যে যোৱা কেইবছৰমানৰ পৰা দেশত ভূমিস্খলনৰ সংখ্যা ভয়ংকৰভাৱে বৃদ্ধি পাইছে আৰু ভূমিস্খলন হ'ব পৰা অঞ্চলসমূহ চিহ্নিত কৰাৰ প্ৰয়োজন আহি পৰিছে।

000000000

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি বিয়লি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিব। যোৱা ২৩ জুলাইত দাখিল কৰা এইবাৰৰ কেন্দ্ৰীয় বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে চৰকাৰে ৯ টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰিছে। ইয়াৰ ভিতৰত উৎপাদনশীলতা আৰু কৃষিত স্থিতিস্থাপকতা, কৰ্মসংস্থাপন আৰু দক্ষতা বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ আছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বাজেট দাখিল কৰি কৈছিল যে দৰিদ্ৰ, মহিলা, যুৱ-প্ৰজন্ম আৰু কৃষকসকলৰ কল্যাণ চৰকাৰৰ প্ৰধান গুৰুত্বৰ বিষয়। তেওঁ লগতে কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশৰ বাবে প্ৰধানমন্ত্ৰী পেকেজৰ কথা ঘোষণা কৰিছিল। এই পেকেজৰ অধীনত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্‌গনিৰ বাবে তিনিখন আঁচনি ঘোষণা কৰা হৈছে।

000000000

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তত ৭৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ৭২ হাজাৰ আন্তঃগাঁথনি প্ৰকল্প নিৰ্মাণ কৰা হৈছে। লোকচান হ্ৰাস কৰা, খেতিয়কসকলক উচিত মূল্য প্ৰদান কৰা, কৃষি ক্ষেত্ৰত উদ্ভাৱনত উদগনি যোগোৱা আৰু কৃষি আন্তঃগাঁথনিৰ বাবে বিনিয়োগ আকৰ্ষণ কৰাৰ বাবে শস্য চপোৱাৰ পাছত ব্যৱস্থাপনা আন্তঃগাঁথনি বিকশাই তোলাৰ উদ্দেশ্যে ২০২০ চনত এই আঁচনিখন শুভাৰম্ভ কৰা হৈছিল। কৃষিমন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ অধীনত বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহে যোগ্য ঋণ গ্ৰহণকাৰীসকলক ১ লাখ কোটি টকা প্ৰদান কৰিছে। লোকসভাত সোধা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে মজুতকৰণৰ বাবে সঠিক ব্যৱস্থা গ্ৰহণ কৰিছে যাতে খেতিয়কসকলে সামগ্ৰীৰ উচিত মূল্য লাভ কৰে। চৰকাৰে শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে অহৰহ কাম

কৰি আছে বুলিও তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে দেশত কৃষি খণ্ডৰ বিকাশ হাৰ প্ৰায় ৪ শতাংশ আৰু বৃহৎ পৰিমাণৰ খাদ্য সামগ্ৰী মজুত আছে।

000000000

লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে দেশৰ অৰ্থনীতি চৰকাৰে ভুলকৈ পৰিচালনা কৰিছে বুলি তোলা অভিযোগক বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে সমালোচনা কৰিছে। তেওঁ কয় যে এন ডি এ দেশৰ অৰ্থনীতিক বিশ্বৰ পঞ্চম অৰ্থনীতিলৈ উন্নীত কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী গোৱেলে অভিযোগ কৰি কয় যে ইউ পি এৰ শাসনকালত মুদ্ৰাস্ফীতি বৃদ্ধি পোৱাৰ লগতে বিত্তীয় ঘাটি, অতি কম পৰিমাণৰ বৈদেশিক মুদ্ৰাৰ মজুত আৰু দুৰ্নীতিৰে ভৰি আছিল যদিও এতিয়া সমগ্ৰ বিশ্বই ভাৰতৰ অৰ্থনৈতিক বিকাশৰ নেতৃত্বৰ বাবে বাট চাই আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে অৰ্থনীতিৰ মৌলিক দিশসমূহ শক্তিশালী কৰিছে আৰু দেশখন অতি সোনকালে মুঠ ঘৰুৱা উৎপাদনৰ ভিত্তিত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব।

000000000

লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি অসমৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ বিজয় বিষ্ণয়ে নৱনিযুক্ত ৰাজ্যপালগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছিকিমৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইফালে, গুৱাহাটীস্থিত বাজপেয়ী ভৱনত অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক চত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ বাবে সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ নেতা-কৰ্মীসকলে শ্ৰী ডেকাক সম্বৰ্ধনা জনায়।

000000000

ঝাৰখণ্ডৰ চক্ৰধৰপুৰ ৰে'ল সংমণ্ডলৰ বৰাবাম্বো আৰু খৰছাৱা ৰে'ল ষ্টেচনৰ মাজত আজি পুৱা হাওৰা-মুম্বাই মেইল ১৮ টা ডবা লাইনৰ পৰা বাগৰি পৰাত দুজন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য কেইবাজনো লোক আহত হয়। আহত যাত্ৰীসকলক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

000000000

ভাৰত আজি পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰতে ইতিমধ্যে শৃংখলাৰ প্ৰথম দুখন খেলত জয়লাভ কৰি ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

0000000

দূৰদৰ্শন কেন্দ্ৰ ডিব্ৰুগড়ৰ অনুষ্ঠান কাৰ্যবাহী চবন দত্তৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৫ বছৰ। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰ ডিব্ৰুগড়ে ব্যক্তিগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

000000000

**সমাপ্ত**